**SYLLABUS (1st & 2nd Semester)**
**Dergaon Kamal Dowerah College (Autonomous), Dergaon**
**Golaghat, Assam, PIN: 785 614**

**FOUR-YEAR UNDERGRADUATE PROGRAMME (FYUGP)**
**(AS PER NEP 2020)**

# ASSAMESE

**[Recommended by Board of Studies in Assamese, D. K. D. C. (Autonomous), in its meetings held on 09-05-2026 and approved by the Academic Council meeting held on 30.06.2026 and effective from the session 2026-2027]**

# প্ৰস্তাৱনা (Preamble)

ভাৰত চৰকাৰৰ ‘ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০’ (NEP 2020)ৰ নিৰ্দেশনাৰ লগত সংগতি ৰাখি দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়(স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগে অধ্যয়ন পৰিষদৰ পৰামৰ্শ আৰু বিদ্যায়তনিক পৰিষদৰ অনুমোদন অনুসৰি অসমীয়া বিষয়ৰ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম প্ৰস্তুত কৰিছে। পাঠ্যসূচীত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক ক্ষেত্ৰৰ লগত সম্পৰ্কিত বিভিন্ন দিশৰ তাত্ত্বিক আৰু প্ৰায়োগিক বিচাৰ-বিশ্লেষণত প্ৰাথমিক গুৰুত্ব দিয়া হৈছে। লগতে উত্তৰ-পূব ভাৰতৰ ভাষা-সাহিত্যৰ পৰিচয়, অসমৰ বিভিন্ন নৃগোষ্ঠীয় ভাষা-সংস্কৃতিৰ পৰিচয়, ভাৰতীয় সাহিত্য আৰু বিশ্ব সাহিত্যৰ পৰিচয় বিষয়ক পাঠো অন্তৰ্ভুক্ত কৰা হৈছে। এই পাঠ্যক্ৰমত তুলনামূলক সাহিত্য, সাহিত্যৰ সমাজতত্ত্ব, চলচ্চিত্ৰ সাহিত্য, কুইয়ৰ সাহিত্য, সাহিত্য আৰু নব্য মাধ্যম আদিৰ দৰে বিভিন্ন আন্তঃবিভাগীয় বিষয় সামৰি লোৱা হৈছে। ভাষাৰ যোগাযোগমূলক দক্ষতাৰ বিকাশ, সৃজনশীলতাৰ বিকাশ, ব্যক্তিত্ব বিকাশ, গৱেষণামূলক দক্ষতা বিকাশ আদিৰ বাবে প্ৰয়োজনীয় বিভিন্ন দিশ সম্বলিত বিষয়েও পাঠ্যসূচীত স্থান পাইছে। পাঠ্যক্ৰমত আধুনিক প্ৰযুক্তিৰ লগত অসমীয়া ভাষা-সাহিত্যৰ সম্পৰ্ক স্থাপন, অনুবাদৰ পৰিচয় আৰু প্ৰয়োগ আদি বিষয় সংযোগ কৰি বৃত্তিমুখী দক্ষতা বিকাশৰ পথ সুগম কৰা হৈছে। গৱেষণা-কৰ্মৰ সাধাৰণ ধাৰণাসহ প্ৰায়োগিক ক্ষেত্ৰত গৱেষণা-কৰ্ম সম্পাদন সম্পৰ্কীয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰে ছাত্ৰ-ছাত্ৰীক গৱেষণাৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ চেষ্টা কৰা হৈছে।

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম প্ৰস্তুত কৰোঁতে গুৰুত্ব দিয়া প্ৰধান দিশকেইটা হ’ল—

- অধ্যয়নৰ শাখাসমূহৰ মাজত সলনি কৰাৰ সুবিধা,
- শিক্ষাৰ্থীসকলৰ বাবে সকলো শাখাৰ মাজৰ পৰা নিজৰ আগ্ৰহৰ পাঠ্যক্ৰম নিৰ্বাচন কৰি লোৱাৰ সুযোগ,
- আৰ্জিত ক্ৰেডিটৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি UG Certificates, UG Diplomas বা স্নাতক ডিগ্ৰী (Bachelor Degree)সহ প্ৰৱেশ আৰু প্ৰস্থানৰ বহুমুখী বিকল্প,
- ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰতিষ্ঠান পৰিৱৰ্তনৰ সুবিধা, যাৰ যোগেদি তেওঁলোকে বহুবিষয়ী (multidisciplinary) আৰু/বা আন্তঃবিভাগীয় (interdisciplinary) শিকনত অংশগ্ৰহণ কৰিব পাৰে,
- শিকনৰ বিকল্প মাধ্যমলৈ যোৱাৰ সুবিধা,
- স্ব-নিয়োজন আৰু উদ্যমিতা মানসিকতাৰ বাবে প্ৰয়োজনীয় জ্ঞান,
- জটিল সমালোচনাত্মক চিন্তন আৰু বাস্তৱ জীৱনৰ সমস্যা সমাধানৰ ক্ষমতা,
- গোলকীয় বিষয়সমূহ বুজাৰ সামৰ্থ্য, বহু-সাংস্কৃতিক দক্ষতা আৰু ডিজিটেল স্বাক্ষৰতা,
- গৱেষণা-দক্ষতা, যোগাযোগ-দক্ষতা, সম্প্ৰদায়ভিত্তিক অংশগ্ৰহণ, পৰিৱেশ সজাগতা, দায়িত্বশীলতা আৰু দায়বদ্ধতা।

# পৰিচয় (Introduction)

ভাৰতৰ পূব প্ৰান্তত অৱস্থিত অসম নামৰ ৰাজ্যখন বিভিন্ন নৃ-প্ৰজাতীয় জাতি-জনজাতিৰ বাসস্থান। সংবিধানৰ অষ্টম অনুসূচীৰ অন্তৰ্ভুক্ত অসমীয়া ভাষা এই ৰাজ্যৰ ৰাজ্যভাষা। সুদীৰ্ঘ সাহিত্যিক পৰিক্ৰমাৰে সমৃদ্ধ অসমীয়া ভাষা আধুনিক ভাৰতীয় ভাষাসমূহৰ ভিতৰত এটা উল্লেখযোগ্য ভাষা। উদ্ভৱকালৰেপৰা বিভিন্ন ভাষিক বৈশিষ্ট্যৰে বিভিন্ন স্তৰ অতিক্ৰম কৰি এই ভাষা বৰ্তমান স্তৰত উপনীত হৈছেহি। অসমীয়া ভাষাৰ আঞ্চলিক আৰু নৃগোষ্ঠীয় বিভিন্ন ৰূপভেদ পোৱা যায়। খ্ৰী. চতুৰ্দশ শতিকাৰ পৰা অসমীয়া লিখিত সাহিত্যৰ ধাৰাবাহিক ইতিহাস পোৱা যায়। তেতিয়াৰেপৰা নানা স্তৰ-উপস্তৰৰ মাজেৰে অসমীয়া সাহিত্যই এক সুদীৰ্ঘ সাহিত্যিক পৰিক্ৰমা অতিক্ৰম কৰিছে। অসমীয়া ভাষা

আৰু লিপিৰ উদ্ভৱ আৰু বিকাশ, অসমীয়া ভাষাৰ ঔপভাষিক ভিন্নতা, অসমীয়া সাহিত্যৰ ইতিহাস আৰু ইতিহাসৰ বিভিন্ন স্তৰ, অসমীয়া সাহিত্যৰ বিভিন্ন বিধা আদি ভাষা-সাহিত্য অধ্যয়নৰ মূল দিশবোৰৰ লগত ছাত্ৰ-ছাত্ৰী পৰিচিত হ'ব পৰাকৈ অসমীয়া বিষয়ৰ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ পাঠ্যসূচী যুগুত কৰা হৈছে। এই পাঠ্যক্ৰমত অসমীয়া ভাষা-সাহিত্যৰ লগতে অসমৰ সাংস্কৃতিক বৈচিত্ৰ্যৰো পৰিচয় দিবলৈ যত্ন কৰা হৈছে। অসমৰ লগতে উত্তৰ-পূব ভাৰতৰ ভাষিক, সাহিত্যিক আৰু সাংস্কৃতিক বিভিন্ন বিষয়ৰ সৈতে ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰোৱাৰ প্ৰয়াসো কৰা হৈছে।

'ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০'ৰ আৰ্হি অনুসৰি প্ৰস্তুত কৰা অসমীয়া বিষয়ৰ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত পাঠ্যক্ৰমসমূহ হ'ল—

- Major (MJ) Disciplines
- Minor (MN) Disciplines
- Multi-Disciplinary Generic Elective Course (GEC)
- Ability Enhancement Courses (AEC)
- Value Added Course (VAC)
- Skill Enhancement Courses (SEC)
- Research Methodology (RM)
- Dissertation (D) [Collection of Data, Analysis, and Preparation of Report]
- Major Electives (MJE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমে তলত দিয়া ধৰণেৰে certificates, diplomas আৰু degrees আগবঢ়াব—

**UG Certificate:** 2 Major disciplines + 2 Minor disciplines + 2 GEC + 2 AEC + 2 VAC + 2 SEC.

**UG Diploma:** 8 Major disciplines + 4 Minor disciplines + 3 GEC + 2 AEC + 3 VAC + 3 SEC.

**3-Year UG Degree:** 15 Major disciplines + 6 Minor disciplines + 3 GEC + 2 AEC + 3 VAC + 3 SEC + Community Engagement (NCC/NSS/Adult Education/Student Mentoring/NGO/Govt. Institutions, etc.) or Internship.

**4-Year Honours UG Degree:** 20 Major disciplines + 8 Minor disciplines + 3 GEC + 2 AEC + 3 VAC + 3 SEC + Community Engagement (NCC/NSS/Adult Education/Student Mentoring/NGO/Govt. Institutions, etc.) or Internship + Research Methodology (RM) + Dissertation or 2 MJE.

**আভ্যন্তৰীণ মূল্যায়ন পদ্ধতি** **(৪০ নম্বৰ)**

- আভ্যন্তৰীণ পৰীক্ষা (এটা) (২০ নম্বৰ)
- তলৰ যিকোনো দুটা বা এটা
  - গৃহকৃত কৰ্ম/ক্ষেত্ৰ আধাৰিত গৃহকৃত কৰ্ম (১০ নম্বৰ)
  - আলোচনা-পত্ৰ প্ৰস্তুত আৰু উপস্থাপন (১০ নম্বৰ)
  - গৱেষণা-পত্ৰ প্ৰস্তুত আৰু উপস্থাপন (২০ নম্বৰ)
  - ব্যৱহাৰিক প্ৰকল্প/পৰীক্ষা (২০ নম্বৰ)
  - দলীয় আলোচনা (১০ নম্বৰ)
  - দলীয় কুইজ (১০ নম্বৰ)
  - মৌখিক পৰীক্ষা (১০ নম্বৰ)

## Program Educational Objectives (PEOs)

| PEO Number | Objective Description |
|---|---|
| PEO1 | অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ সজাগতা আৰু সচেতনতা বৃদ্ধি পাব। |
| PEO2 | অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসৰ প্ৰণালীৱদ্ধ অধ্যয়নৰ জৰিয়তে ভাষা-সাহিত্যৰ ঐতিহ্য আৰু বিকাশ সম্পৰ্কীয় জ্ঞান লাভ কৰিব। |
| PEO3 | অসমত প্ৰচলিত বিভিন্ন আৰ্য্যমূলীয় আৰু আৰ্য্যভিন্ন ভাষাৰ ভাষিক বৈচিত্ৰ্য সম্পৰ্কে অৱগত হ'ব। অসমীয়া আৰু অসমৰ অন্যান্য ভাষাৰ মাজত থকা পাৰস্পৰিক আদান-প্ৰদান সম্পৰ্কে অৱগত হ'ব। |
| PEO4 | অসমৰ জনজাতীয় সাহিত্য, উত্তৰ-পূব ভাৰতৰ সাহিত্য, ভাৰতীয় সাহিত্য আৰু বিশ্ব সাহিত্যৰ সম্যক পৰিচয় লাভ কৰিব। |
| PEO5 | সাহিত্যৰ বিবিধ বিধাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব। অসমীয়া বাতৰিকাকত-আলোচনীৰ ইতিহাস, কুইয়ৰ সাহিত্য, চলচ্চিত্ৰ সাহিত্য, শিশু-সাহিত্যৰ বিষয়ে বিতংভাৱে অধ্যয়ন কৰিবলৈ অনুপ্ৰাণিত হ'ব। |
| PEO6 | সাহিত্য সমালোচনাৰ ধাৰণা আৰু সাহিত্য সমালোচনাৰ বিবিধ ধাৰাৰ বিষয়ে অৱগত হ'ব। |
| PEO7 | আধুনিক তথ্য-প্ৰযুক্তিৰ লগত অসমীয়া ভাষাক সংযুক্ত কৰি অসমীয়া ভাষাৰ প্ৰযুক্তিগত বিকাশ সম্পৰ্কীয় শিক্ষা আহৰণ কৰিব পাৰিব। |
| PEO8 | ব্যক্তিত্ব বিকাশ আৰু ব্যৱহাৰিক দক্ষতা বৃদ্ধিৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ ক্ষেত্ৰ আধাৰিত প্ৰয়োগ সম্পৰ্কে অৱগত হ'ব। |
| PEO9 | গৱেষণাৰ পদ্ধতি আৰু গৱেষণাৰ লগত সম্পৰ্কিত নৈতিকতা সম্বন্ধে জ্ঞাত হ'ব। |

### Program Specific Outcomes (PSOs)

| PSO Number Outcome Description | PSO Number Outcome |
|---|---|
| PSO1 | অসমীয়া সাহিত্যৰ ইতিহাস, যুগ বিভাজন, বিভিন্ন বিধা-ধাৰাৰ চিনাক্তকৰণ আৰু আলোচনা কৰাৰ সামৰ্থ্য। |
| PSO2 | সাহিত্য সমালোচনা বিষয়ক তাত্ত্বিক ধাৰণা অৰ্জন কৰি বিভিন্ন তত্ত্বৰ আধাৰত পাঠ-বিশ্লেষণৰ সমালোচনাত্মক দক্ষতা আহৰণ। |
| PSO3 | অসম তথা উত্তৰ-পূব ভাৰতৰ সাহিত্যিক-ভাষিক-সাংস্কৃতিক ঐতিহ্য আৰু বৈবিধ্যৰ জ্ঞান আহৰণ। |
| PSO4 | সৃষ্টিশীল আৰু গৱেষণামূলক লেখন কৌশলৰ বিকাশ। |
| PSO5 | সফল যোগাযোগৰ কৌশল আৰু দক্ষতা আহৰণ আৰু ব্যক্তিত্বৰ বিকাশ। |
| PSO6 | প্ৰযুক্তিগত দক্ষতা আহৰণৰ জৰিয়তে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক ডিজিটেল মাধ্যমত উপস্থাপন আৰু সংৰক্ষণ তথা সংবৰ্ধনৰ প্ৰতি সচেতনতা বৃদ্ধি। |
| PSO7 | ব্যক্তিগত তথা বৃত্তিগত ক্ষেত্ৰত সহায়ক হোৱাকৈ প্ৰয়োজনীয় দক্ষতা তথা জ্ঞান আহৰণ। |

# STRUCTURE OF FOUR YEAR UNDER GRADUATE PROGRAMMES (FYUGP) AS PER NEP-2020 IN ASSAMESE FOR DERGAON KAMAL DOWERAH COLLEGE (AUTONOMOUS)

| Year | Semester | Course with Paper Code | Title of the Paper | Total Credits |
|---|---|---|---|---|
| | | AS1MJ01 | অসমীয়া সাহিত্যৰ পৰিচয়মূলক ইতিহাস (Introduction to History of Assamese Literature) | 4 |
| | | AS1MN01 | অসমীয়া সাহিত্যৰ বুৰঞ্জী (History of Assamese Literature) | 4 |
| | 1st | GEC01 AS1 | উত্তৰ-পূৱ ভাৰতৰ সাহিত্যৰ পৰিচয় (Introduction to Literature of North-East India) | 3 |
| | | AEC1A | অসমীয়া ভাষাৰ কৌশল আৰু দক্ষতা বিকাশ (Skill and Ability Enhancement in Assamese Language) | 4 |
| | | VAC1 | **Any one:**<br>**VAC1A: Understanding India/**<br>**VAC1B: Health and Wellness** | 2 |
| 1 | | SEC1 AS01 | ব্যক্তিত্ব বিকাশ আৰু সুকুমাৰ কৌশল (Personality Development & Soft Skills) | 3 |
| | | | | 20 |
| | | AS2MJ02 | অসমীয়া ভাষা আৰু লিপিৰ পৰিচয়মূলক ইতিহাস (Introduction to History of Assamese Language and Script) | 4 |
| | | AS2MN02 | অসমৰ ভাষা আৰু লিপি (Languages and Scripts of Assam) | 4 |
| | 2nd | GEC2 AS2 | ভাৰতীয় সাহিত্যৰ পৰিচয় (Introduction to Indian Literature) | 3 |
| | | AEC2 | Language and Communication Skills (English) II | 4 |
| | | VAC2 | Environmental Education | 2 |
| | | SEC2 AS2A<br>Or<br>SEC2 AS2B | গৱেষণা-পত্ৰ লেখন (Research Paper Writing) | 3 |
| | | | সৃষ্টিশীল লেখন (Creative Writing) | 3 |
| | | | | 20 |

## SEMESTER-1

### Title of the Course: অসমীয়া সাহিত্যৰ পৰিচয়মূলক ইতিহাস

### (Introduction to History of Assamese Literature)

### Course Code: AS1MJ01

**Nature of the Course: Major**

**Total Credits: 4**

**Distribution of Marks: 60 (End Semester) + 40 (In-Semester)**

**প্ৰস্তাৱনা**

‘অসমীয়া সাহিত্যৰ পৰিচয়মূলক ইতিহাস’ শীৰ্ষক এই পাঠ্যক্ৰমে অসমীয়া সাহিত্যৰ আদিপৰ্বৰ পৰা আধুনিক যুগলৈকে বিকাশৰ ধাৰাবাহিক ইতিহাস বুজাত সহায় কৰিব। ইয়াত অসমীয়া সাহিত্যৰ পটভূমি, যুগ বিভাজন, লোকসাহিত্য, মধ্য যুগৰ প্ৰাক্-শংকৰ, শংকৰ আৰু শংকৰোত্তৰ যুগৰ সাহিত্যৰ লগতে আধুনিক যুগৰ অৰুনোদই, জোনাকী, আৱাহন, ৰামধেনু আৰু ৰামধেনু-পৰৱৰ্তী যুগৰ সাহিত্যৰ আলোচনা অন্তৰ্ভুক্ত হৈছে। এই পাঠ্যক্ৰমে অসমীয়া জাতিৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় পটভূমিত সাহিত্যৰ ভূমিকা আৰু প্ৰাসংগিকতা স্পষ্ট কৰি তুলিব।

**পাঠ্যক্ৰমৰ উদ্দেশ্য**

- অসমীয়া সাহিত্যৰ ইতিহাসৰ মূল ধাৰা আৰু পটভূমিৰ বিষয়ে শিক্ষাৰ্থীসকলক অৱগত কৰোৱা।
- অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ ভিত্তি আৰু প্ৰতিটো যুগৰ বিশেষ বৈশিষ্ট্যৰ বিষয়ে সম্যক ধাৰণা প্ৰদান কৰা।
- লোকসাহিত্যৰ পৰা আৰম্ভ কৰি বৈষ্ণৱ সাহিত্য, পাঁচালী সাহিত্য, গদ্য সাহিত্য, চৰিত সাহিত্য আদি মধ্য যুগৰ বিভিন্ন সাহিত্যৰ শাখাৰ বিষয়ে আলোচনা কৰি সেইবোৰৰ প্ৰাসংগিকতা নিৰূপণ কৰা।
- আধুনিক যুগৰ বিভিন্ন ধাৰা স্পষ্ট কৰি অসমীয়া সাহিত্যৰ আধুনিকীকৰণ প্ৰক্ৰিয়া স্পষ্ট কৰা।

**পাঠ্যক্ৰমৰ শিকন পৰিণতি (Course Outcomes)**

- অসমীয়া সাহিত্যৰ ইতিহাসৰ প্ৰস্তাৱনা আৰু পটভূমি সম্পৰ্কে সঠিক ধাৰণা প্ৰদান কৰিব।
- অসমীয়া সাহিত্যৰ যুগসমূহ আৰু তাৰ অন্তৰ্গত বিভিন্ন উপধাৰাসমূহ চিনাক্ত কৰিব পাৰিব।
- লোকসাহিত্য, বৈষ্ণৱ সাহিত্য, পাঁচালী সাহিত্য, শংকৰোত্তৰ যুগৰ গদ্য-চৰিত-বুৰঞ্জী সাহিত্যৰ বৈশিষ্ট্য বিশ্লেষণ কৰিবলৈ সক্ষম হ’ব।
- অৰুনোদই, জোনাকী, আৱাহন, ৰামধেনু আদি যুগবোৰৰ সাহিত্যিক অৱদান আৰু তাৰ প্ৰভাৱ মূল্যায়ন কৰিব পাৰিব।

| গোট | বিষয় | পাঠদান | অণুশিক্ষণ | সৰ্বমুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| ১ | **(ক) অসমীয়া সাহিত্যৰ পটভূমি**<br>**(খ) অসমীয়া সাহিত্যৰ যুগ বিভাজন**<br>• প্ৰাসংগিকতা<br>• বিভিন্ন মতামত | ১৪ | ০২ | ১৬ | ১৬ |
| ২ | **প্ৰত্ন অসমীয়া সাহিত্য আৰু অসমীয়া লোকসাহিত্য** | ০৮ | ০২ | ১০ | ১২ |
| ৩ | **মধ্য যুগৰ অসমীয়া সাহিত্য**<br>• প্ৰাক্-শংকৰ যুগৰ সাহিত্য<br>• শংকৰ যুগৰ সাহিত্য (বৈষ্ণৱ সাহিত্য, পাঁচালী সাহিত্য) | ১৪ | ০২ | ১৬ | ১৬ |

| | | | | | |
|---|---|---|---|---|---|
| | ● শংকৰোত্তৰ যুগৰ সাহিত্য (গদ্য সাহিত্য, চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক সাহিত্য) | | | | |
| ৪ | **অসমীয়া সাহিত্যৰ আধুনিক যুগ**<br>● অৰুনোদই যুগ<br>● জোনাকী যুগ<br>● আৱাহন যুগ<br>● ৰামধেনু যুগ<br>● ৰামধেনু-পৰৱৰ্তী যুগ | ১৬ | ০২ | ১৮ | ১৬ |
| | সৰ্বমুঠ | ৫২ | ০৮ | ৬০ | ৬০ |

**আভ্যন্তৰীণ মূল্যায়ন পদ্ধতি** **(৪০ নম্বৰ)**

- আভ্যন্তৰীণ পৰীক্ষা (এটা) (২০ নম্বৰ)
- তলৰ যিকোনো দুটা (১০×২= ২০ নম্বৰ)
    - ক্ষেত্ৰ আধাৰিত গৃহকৃত কৰ্ম
    - আলোচনা-পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
    - দলীয় আলোচনা
    - দলীয় কুইজ
    - মৌখিক পৰীক্ষা

**৬০ নম্বৰৰ কাকতৰ ক্ষেত্ৰত প্ৰশ্নকাকতৰ আৰ্হি**

| | | |
|---|---|---|
| (ক) অতি চমু উত্তৰৰ প্ৰশ্ন (Objective) | ৪ টা | ১×৪= ৪ নম্বৰ |
| (খ) চমু উত্তৰৰ প্ৰশ্ন | ৪ টা | ২×৪= ৮ নম্বৰ |
| (গ) ৰচনাধৰ্মী প্ৰশ্ন | ৪ টা | ১২×৪= ৪৮ নম্বৰ |
| | মুঠ | = ৬০ নম্বৰ |

**প্ৰসংগ পুথি**


১. *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত:* সত্যেন্দ্ৰনাথ শৰ্মা, সৌমাৰ প্ৰকাশ, গুৱাহাটী।

২. *অসমীয়া সাহিত্যৰ ৰূপৰেখা:* মহেশ্বৰ নেওগ, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী।

৩. *অসমীয়া সাহিত্যত দৃষ্টিপাত:* হেমন্ত কুমাৰ শৰ্মা, বীণা লাইব্ৰেৰী, গুৱাহাটী।

৪. *অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস:* হৰিনাথ শৰ্মা দলৈ, পদ্মপ্ৰিয়া লাইব্ৰেৰী, নলবাৰী।

৫. *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড):* বিশ্বেশ্বৰ হাজৰিকা (সম্পা.), আবিলেক, গুৱাহাটী।

৬. *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড):* শিৱনাথ বৰ্মন (সম্পা.), আবিলেক, গুৱাহাটী।

৭. *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড):* হোমেন বৰগোহাঞি (সম্পা.), আবিলেক, গুৱাহাটী।

৮. *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস:* আনন্দ বৰমুদৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

৯. *অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা:* লীলা গগৈ, বনলতা, ডিব্ৰুগড়।

১০. *অসমীয়া জনসাহিত্য:* প্ৰফুল্ল দত্ত গোস্বামী, বাণী প্ৰকাশ, গুৱাহাটী।

১১. *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়:* লীলা গগৈ (সম্পা.), বনলতা, ডিব্ৰুগড়।

১২. *বিষয় আৰু ব্যাখ্যা:* জয়ন্ত কুমাৰ বৰা, বনলতা, ডিব্ৰুগড়।

১৩. *অসমীয়া কবিতাৰ প্ৰৱাহ (প্ৰথম খণ্ড):* কবীন ফুকন, বনলতা, ডিব্ৰুগড়।

১৪. *Assamese Literature:* Hem Barua.

১৫. *History of Assamese Literature:* Birinchi Kr. Barua.

১৬. *Modern Assamese Literature:* Birinchi Kr. Barua.

**SEMESTER-1**

**Title of the Course: অসমীয়া সাহিত্যৰ বুৰঞ্জী**

**(History if Assamese Literature)**

**Course Code: AS1MN01**

**Nature of the Course: Minor**

**Total Credits: 4**

**Distribution of Marks: 60 (End Semester) + 40 (In-Semester)**

**প্ৰস্তাৱনা**

শিক্ষাৰ্থীসকলক অসমীয়া সাহিত্যৰ গৌৰৱময় ইতিহাসৰ গভীৰতালৈ লৈ যোৱাৰ উদ্দেশ্য আগত ৰাখি 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' শীৰ্ষক এই পাঠ্যক্ৰম প্ৰস্তুত কৰা হৈছে। ইয়াত প্ৰাক্-শংকৰ যুগৰ পৰা আৰম্ভ কৰি আধুনিক যুগৰ ৰামধেনু-পৰৱৰ্তী কাললৈকে সাহিত্যৰ যুগ বিভাজন, প্ৰধান কবি-সাহিত্যিকৰ কৃতি আৰু সামাজিক-সাংস্কৃতিক পটভূমিৰ বিশদ আলোচনা কৰা হৈছে। এই পাঠ্যক্ৰমে মাধৱ কন্দলি, শংকৰদেৱ, মাধৱদেৱ, ৰাম সৰস্বতীৰ দৰে মধ্য যুগৰ কবিৰ পৰা আৰম্ভ কৰি আধুনিক যুগৰ লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ বৰুৱা, নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আদিৰ সাহিত্য-কৃতি আৰু প্ৰাসংগিকতা সম্পৰ্কে বুজাত শিক্ষাৰ্থীসকলক সহায় কৰিব। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ গতিধাৰা অনুধাৱন কৰি শিক্ষাৰ্থীসকলে সাহিত্যৰ সামগ্ৰিক বিকাশ আৰু তাৰ প্ৰভাৱ বুজিবলৈ সক্ষম হ'ব।

**পাঠ্যক্ৰমৰ উদ্দেশ্য**

- অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ ধাৰণা আৰু প্ৰতিটো যুগৰ মূল বৈশিষ্ট্য শিক্ষাৰ্থীসকলক অৱগত কৰোৱা।
- প্ৰাক্-শংকৰ যুগৰ মাধৱ কন্দলি, শংকৰ যুগৰ শংকৰদেৱ, মাধৱদেৱ, ৰামসৰস্বতী আৰু পাঁচালী কবি পীতাম্বৰৰ সাহিত্য-কৃতিৰ পৰিচয় দিয়া।
- শংকৰোত্তৰ যুগৰ গদ্য, চৰিত সাহিত্য, বুৰঞ্জী আৰু ব্যৱহাৰিক সাহিত্যৰ বিকাশ আৰু ধাৰা বিশ্লেষণ কৰা।
- আধুনিক অসমীয়া গদ্য-সাহিত্যৰ প্ৰতিষ্ঠাত মিছনেৰি আৰু আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱাৰ অৱদানৰ মূল্যায়ন কৰা।
- জোনাকী যুগ, আৱাহন যুগ আৰু ৰামধেনু যুগৰ প্ৰধান সাহিত্যিকৰ কৃতি আৰু অৱদান সম্পৰ্কে গভীৰ জ্ঞান প্ৰদান কৰা।

**পাঠ্যক্ৰমৰ শিকন পৰিণতি (Course Outcomes)**

- অসমীয়া সাহিত্যৰ বুৰঞ্জীক বিভিন্ন যুগ (প্ৰাক্-শংকৰ, শংকৰ, শংকৰোত্তৰ, আধুনিক)ত বিভক্ত কৰি প্ৰতিটো যুগৰ সামাজিক-সাংস্কৃতিক পটভূমি বুজিব পাৰিব।
- মাধৱ কন্দলি, শংকৰদেৱ-মাধৱদেৱ আৰু ৰাম সৰস্বতীৰ অমৰ কৃতিৰ বিষয়ে বিশ্লেষণাত্মক ধাৰণা পাব।
- পাঁচালী সাহিত্য, বুৰঞ্জী সাহিত্য, চৰিত আৰু ব্যৱহাৰিক সাহিত্যৰ বৈশিষ্ট্য চিনাক্ত কৰি সেইবোৰৰ প্ৰাসংগিকতা নিৰূপণ কৰিব পাৰিব।
- আধুনিক যুগৰ অসমীয়া সাহিত্যৰ বিকাশত মিছনেৰিৰ ভূমিকা বুজি পোৱাৰ লগতে আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ সাহিত্যিক অৱদান মূল্যায়ন কৰিব পাৰিব।

- জোনাকী, আৱাহন আৰু ৰামধেনু যুগৰ প্ৰতিনিধিত্বকাৰী সাহিত্যিকৰ সাহিত্য অধ্যয়ন কৰি আধুনিক অসমীয়া সাহিত্যৰ বিকাশৰ ধাৰা অনুধাৱন কৰিব পাৰিব।

| গোট | বিষয় | পাঠদান | অণুশিক্ষণ | সৰ্বমুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| ১ | **অসমীয়া সাহিত্যৰ যুগ বিভাজন** | ০৮ | ০২ | ১২ | ১২ |
| ২ | • **প্ৰাক্-শংকৰ যুগৰ সাহিত্য** (মাধৱ কন্দলিৰ সাহিত্য-কৃতি)<br>• **শংকৰ যুগৰ সাহিত্য** (শংকৰদেৱ, মাধৱদেৱ আৰু ৰাম সৰস্বতীৰ সাহিত্য-কৃতি)<br>• **পাঁচালী সাহিত্য আৰু কবি পীতাম্বৰৰ সাহিত্য-কৃতি**<br>• **শংকৰোত্তৰ যুগৰ সাহিত্য** (গদ্য সাহিত্য, চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য আৰু ব্যৱহাৰিক সাহিত্য) | ১৭ | ০২ | ১৯ | ১৬ |
| ৩ | • **আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠা** (খ্ৰীষ্টান মিছনেৰিসকল তথা আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ অৱদানৰ বিশেষ উল্লেখেৰে) | ১০ | ০২ | ১২ | ১৬ |
| ৪ | • **জোনাকী যুগৰ সাহিত্য** (লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা আৰু ৰজনীকান্ত বৰদলৈৰ সাহিত্যৰ বিশেষ উল্লেখেৰে)<br>• **আৱাহন যুগৰ সাহিত্য** (নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, ৰমা দাশ আৰু ত্ৰৈলোক্যনাথ গোস্বামীৰ চুটিগল্পৰ বিশেষ উল্লেখেৰে)<br>• **ৰামধেনু যুগৰ সাহিত্য** (চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু নীলমণি ফুকনৰ সাহিত্যৰ বিশেষ উল্লেখেৰে) | ১৭ | ০২ | ১৯ | ১৬ |
| | সৰ্বমুঠ | ৫২ | ০৮ | ৬০ | ৬০ |

**আভ্যন্তৰীণ মূল্যায়ন পদ্ধতি** **(৪০ নম্বৰ)**

- আভ্যন্তৰীণ পৰীক্ষা (এটা) (২০ নম্বৰ)
- তলৰ যিকোনো দুটা (১০×২= ২০ নম্বৰ)
  - ক্ষেত্ৰ আধাৰিত গৃহকৃত কৰ্ম
  - আলোচনা-পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
  - দলীয় আলোচনা
  - দলীয় কুইজ
  - মৌখিক পৰীক্ষা

**৬০ নম্বৰৰ কাকতৰ ক্ষেত্ৰত প্ৰশ্নকাকতৰ আৰ্হি**

| | | |
|---|---|---|
| (ক) অতি চমু উত্তৰৰ প্ৰশ্ন (Objective) | ৪ টা | ১×৪= ৪ নম্বৰ |
| (খ) চমু উত্তৰৰ প্ৰশ্ন | ৪ টা | ২×৪= ৮ নম্বৰ |
| (গ) ৰচনাধৰ্মী প্ৰশ্ন | ৪ টা | ১২×৪= ৪৮ নম্বৰ |
| | মুঠ | = ৬০ নম্বৰ |

**প্ৰসংগ পুথি**


১. *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত:* সত্যেন্দ্ৰনাথ শৰ্মা, সৌমাৰ প্ৰকাশ, গুৱাহাটী।

২. *অসমীয়া সাহিত্যৰ ৰূপৰেখা:* মহেশ্বৰ নেওগ, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী।

৩. *অসমীয়া সাহিত্যত দৃষ্টিপাত:* হেমন্ত কুমাৰ শৰ্মা, বীণা লাইব্ৰেৰী, গুৱাহাটী।

৪. *অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস:* হৰিনাথ শৰ্মা দলৈ, পদ্মপ্ৰিয়া লাইব্ৰেৰী, নলবাৰী।

৫. *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড):* বিশ্বেশ্বৰ হাজৰিকা (সম্পা.), আবিলেক, গুৱাহাটী।

৬. *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড):* শিৱনাথ বৰ্মন (সম্পা.), আবিলেক, গুৱাহাটী।

৭. *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড):* হোমেন বৰগোহাঞি (সম্পা.), আবিলেক, গুৱাহাটী।

৮. *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস:* আনন্দ বৰমুদৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

৯. *অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা:* লীলা গগৈ, বনলতা, ডিব্ৰুগড়।

১০. *অসমীয়া জনসাহিত্য:* প্ৰফুল্ল দত্ত গোস্বামী, বাণী প্ৰকাশ, গুৱাহাটী।

১১. *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়:* লীলা গগৈ (সম্পা.), বনলতা, ডিব্ৰুগড়।

১২. *বিষয় আৰু ব্যাখ্যা:* জয়ন্ত কুমাৰ বৰা, বনলতা, ডিব্ৰুগড়।

১৩. *অসমীয়া কবিতাৰ প্ৰৱাহ (প্ৰথম খণ্ড):* কবীন ফুকন, বনলতা, ডিব্ৰুগড়।

১৪. *অসমীয়া চুটিগল্পৰ অধ্যয়ন:* প্ৰহ্লাদ কুমাৰ বৰুৱা, বনলতা, ডিব্ৰুগড়।

১৫. *অসমীয়া উপন্যাসৰ ভূমিকা:* সত্যেন্দ্ৰনাথ শৰ্মা, সৌমাৰ প্ৰকাশ, গুৱাহাটী।

১৬. *অসমীয়া উপন্যাসৰ গতিধাৰা:* সত্যেন্দ্ৰনাথ শৰ্মা, সৌমাৰ প্ৰকাশ, গুৱাহাটী।

১৭. *অসমীয়া উপন্যাসৰ অধ্যয়ন:* গোবিন্দ প্ৰসাদ শৰ্মা, প্ৰজ্ঞা মিডিয়া হাইপ, গুৱাহাটী।

১৮. *Assamese Literature:* Hem Barua.

১৯. *History of Assamese Literature:* Birinchi Kr. Barua.

২০. *Modern Assamese Literature:* Birinchi Kr. Barua.

**SEMESTER-1**

**Title of the Course: উত্তৰ-পূব ভাৰতৰ সাহিত্যৰ পৰিচয়**

**(Introduction to Literature of North-India)**

**Course Code: GEC1 AS1**

**Nature of the Course: Generic Elective Course**

**Total Credits: 3**

**Distribution of Marks: 60 (End Semester) + 40 (In-Semester)**

**প্ৰস্তাৱনা**

উত্তৰ-পূব ভাৰতক প্ৰায়ে 'আঠভনীৰ ৰাজ্য' বুলি অভিহিত কৰা হয় যদিও সাহিত্য আৰু সংস্কৃতিৰ ফালৰ পৰা ই এক সমৃদ্ধ আৰু বৈচিত্ৰ্যপূৰ্ণ অঞ্চল। এই পাঠ্যক্ৰমে অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিমৰ বহুভাষিক সাহিত্য-সংস্কৃতিৰ এক পৰিচয়মূলক ধাৰণা আগবঢ়াইছে। বিশেষকৈ কবিতা, গল্প আৰু আত্মজীৱনীৰ মাজেৰে এই অঞ্চলৰ জনগোষ্ঠীয় জীৱনবোধ, প্ৰকৃতি প্ৰেম, ভিন্ন সংকট, নাৰী জীৱন আৰু আধুনিকতাবোধৰ সৈতে পৰম্পৰাৰ সংঘাত কেনেদৰে প্ৰকাশিত হৈছে, তাক অনুধাৱন কৰাৰ প্ৰয়াস কৰা হৈছে। এই পাঠ্যক্ৰমে শিক্ষাৰ্থীসকলক নিজৰ চৌপাশৰ সাহিত্য-সংস্কৃতিৰ প্ৰতি সচেতন কৰি তোলাৰ লগতে ব্যাপক ভাৰতীয় সাহিত্যিক প্ৰেক্ষাপটত উত্তৰ-পূব ভাৰতৰ অৱদানক মূল্যায়ন কৰাৰ সুযোগ দিব।

**পাঠ্যক্ৰমৰ উদ্দেশ্য**

- উত্তৰ-পূব ভাৰতৰ বিভিন্ন ৰাজ্যৰ বিশিষ্ট কবি-সাহিত্যিকসকলক আৰু তেওঁলোকৰ প্ৰতিনিধিত্বমূলক ৰচনাৰাজিৰ সৈতে শিক্ষাৰ্থীসকলক পৰিচয় কৰাই দিয়া।
- অনূদিত সাহিত্যৰ জৰিয়তে অঞ্চলটোৰ বহুভাষিক সাহিত্য সম্ভাৰৰ বিষয়ে এক প্ৰাৰম্ভিক ধাৰণা প্ৰদান কৰা।
- সাহিত্যৰ মাজেৰে প্ৰকাশিত অঞ্চলটোৰ সামাজিক-সাংস্কৃতিক জীৱন, লোকাচাৰ, সংকট-সংঘাত আৰু সমসাময়িক বিভিন্ন প্ৰত্যাহ্বানসমূহ বিশ্লেষণ কৰিবলৈ শিক্ষাৰ্থীসকলক সক্ষম কৰি তোলা।
- সাহিত্যৰ মাধ্যমেদি ভাৰতৰ মূলসুঁতিৰ লগত উত্তৰ-পূব ভাৰতৰ সাংস্কৃতিক সম্পৰ্ক আৰু অৱদানৰ বিষয়ে এক সংবেদনশীলতা গঢ়ি তোলা।

**পাঠ্যক্ৰমৰ শিকন পৰিণতি** (Course Outcomes)

- উত্তৰ-পূব ভাৰতৰ বিভিন্ন ৰাজ্যৰ সাহিত্যিক আৰু তেওঁলোকৰ গুৰুত্বপূৰ্ণ ৰচনা চিনাক্ত কৰিবলৈ সক্ষম হ'ব।
- অঞ্চলটোৰ কবিতা, গল্প আৰু আত্মজীৱনীমূলক ৰচনা সমালোচনাত্মকভাৱে বিশ্লেষণ কৰি তাত থকা মুখ্য বিষয়সমূহ চিনাক্ত কৰিব পাৰিব।
- উত্তৰ-পূব ভাৰতৰ সাহিত্যক ব্যাপক ভাৰতীয় সাহিত্য-পৰম্পৰাৰ এক অবিচ্ছেদ্য অংগ হিচাপে মূল্যায়ন কৰাৰ দৃষ্টিভংগী লাভ কৰিব।
- নিজৰ ভাষা আৰু সাহিত্য-সংস্কৃতিৰ প্ৰতি এক সুস্থ গৌৰৱবোধৰ লগতে আন অঞ্চলৰ প্ৰতি এক উদাৰ আৰু সন্মানজনক মনোভাৱ গঢ়ি তুলিব।

| গোট | বিষয় | পাঠদান | অনুশিক্ষণ | সৰ্বমুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| ১ | **উত্তৰ-পূব ভাৰতৰ সাহিত্য : সাধাৰণ পৰিচয়** | ০৬ | ০২ | ৮ | ১২ |

| | | | | | |
|---|---|---|---|---|---|
| ২ | **কবিতা (যিকোনো তিনিটা)**<br>● অৰুণাচলৰ কবি মামং দাই (Mamang Dai)ৰ 'Small Towns and the River'<br>● মণিপুৰৰ কবি য়ামলেমবাম ইবমচা সিঙ (Yumlembam Ibomcha Singh)ৰ 'কুকুৰ পোৱালি এটাৰ ৰূপান্তৰণৰ কথা', অনুবাদ : প্ৰাণজিৎ বৰা<br>● ত্ৰিপুৰাৰ কবি চন্দ্ৰকান্ত মুড়াসিঙ (Chandrakanta Murasingh)ৰ 'মোৰ ঘৰ', অনুবাদ : প্ৰাণজিৎ বৰা<br>● মিজোৰামৰ কবি ম'না জটে (Mona Zote)ৰ 'Girl, with Black Guitar and Blue Hibiscus'<br>● মেঘালয়ৰ কবি আমান্দা বাছায়াম'ইট (Amanda Basaiamoit)ৰ 'Shared Stories'<br>● ছিকিমৰ কবি নীলম গুৰুঙ (Neelam Gurung)ৰ 'Cigarettes and Women' | ১২ | ০২ | ১৪ | ১৬ |
| ৩ | **গল্প**<br>● অৰুণাচলৰ গল্পকাৰ য়েছে দৰজে ঠংচিৰ 'মৃত্যু'<br>● অসমৰ গল্পকাৰ অজিত ছিংনাৰৰ 'গুৰিয়াল'<br>● মণিপুৰৰ গল্পকাৰ লিনথৈ চানু (Linthoi Chanu)ৰ 'ওপঙা স্বপ্ন', অনুবাদ : দীপশিখা ভাগৱতী | ১০ | ০২ | ১২ | ১৬ |
| ৪ | **আত্মজীৱনী**<br>● নাগালেণ্ডৰ সাহিত্যিক টেমচুলা আও (Temsula Ao)ৰ 'মোৰ জীৱনটো'ৰ প্ৰথম দুটা ভাগ, অনুবাদ : লক্ষ্যজ্যোতি গগৈ সন্দিকৈ | ১০ | ০১ | ১১ | ১৬ |
| | সৰ্বমুঠ | ৩৮ | ০৭ | ৪৫ | ৬০ |

**ভাৰতীয় জ্ঞান-পৰম্পৰা (Indian Knowledge System)**

এই পাঠ্যক্ৰমে ভাৰতীয় জ্ঞান-পৰম্পৰাৰ মৌলিক বৈশিষ্ট্য 'বৈচিত্ৰ্যৰ মাজত ঐক্য' সাৰ্থকভাৱে প্ৰতিফলিত কৰিছে।

**আভ্যন্তৰীণ মূল্যায়ন পদ্ধতি** **(৪০ নম্বৰ)**

- আভ্যন্তৰীণ পৰীক্ষা (এটা) (২০ নম্বৰ)
- তলৰ যিকোনো দুটা (১০×২= ২০ নম্বৰ)
  - গৃহকৃত কৰ্ম
  - আলোচনা-পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
  - দলীয় আলোচনা
  - দলীয় কুইজ
  - মৌখিক পৰীক্ষা

**৬০ নম্বৰৰ কাকতৰ ক্ষেত্ৰত প্ৰশ্নকাকতৰ আহি**

| | | |
|---|---|---|
| (ক) অতি চমু উত্তৰৰ প্ৰশ্ন (Objective) | ৪ টা | ১×৪= ৪ নম্বৰ |
| (খ) চমু উত্তৰৰ প্ৰশ্ন | ৪ টা | ২×৪= ৮ নম্বৰ |
| (গ) ৰচনাধৰ্মী প্ৰশ্ন | ৪ টা | ১২×৪= ৪৮ নম্বৰ |
| | মুঠ | = ৬০ নম্বৰ |

**প্ৰসংগ পুথি**


১. *The Oxford Anthology of Writings form North-East India (Poetry and Essays):* Tilottoma Misra (ed.), Oxford University Press, New Delhi, 2011.

২. *Anthology of Contemporary Poetry from the Northeast:* Robin Singh Ngangom, Kynpham Sing Nongkynrih (eds.). NEHU Publications, 2003.

৩. *Dancing Earth (An Anthology of Poetry from North-East India):* Robin Singh Ngangom, Kynpham Sing Nongkynrih (eds.), Penguin Books India Pvt. Ltd., New Delhi, 2009.

৪. *We Come from Mist: Writings from Meghalaya:* Janice Pariat (ed.), Zubaan Publishers Pvt. Ltd., New Delhi, 2023.

৫. *The Keepers of Knowledge: Writings from Mizoram:* Hmingthanzuali, Mary Vanlalthanpuii (eds.), Zubaan Publishers Pvt. Ltd., New Delhi, 2023.

৬. *The Inheritance of Words: Writings from Arunachal Pradesh:* Mamang Dai (ed.), Zubaan Publishers Pvt. Ltd., New Delhi, 2021.

৭. *The Many That I Am: Writings from Nagaland:* Anungla Zoe Longkumer (ed.), Zubaan Publishers Pvt. Ltd., New Delhi, 2019.

৮. *Crafting the Word: Writings from Manipur:* Thingnam Anjulika Samom (ed.), Zubaan Publishers Pvt. Ltd., New Delhi, 2019.

৯. *Beneath Magnolia Skies: Writings from Sikkim and Darjeeling Hills:* Mona Chettri, Prava Rai (eds.), Zubaan Publishers Pvt. Ltd., New Delhi, 2025.

১০. *River Poems:* Mamang Dai, Writers Workshop, Kolkata, 2013.

১১. *ধাৰ আৰু অন্যান্য গল্প:* য়েছে দৰজে ঠংচি, বনলতা, গুৱাহাটী।

১২. *পবুৰাই পোৱা মানুহ:* অজিত ছিংনাৰ, অসম বুক ট্ৰাষ্ট, গুৱাহাটী।

১৩. *মোৰ জীৱনটো:* লক্ষ্যজ্যোতি গগৈ সন্দিকৈ (অনু.), আঁকবাক, গুৱাহাটী।

১৪. *সুবৰ্ণৰেখা:* প্ৰাণজিৎ বৰা, পাঞ্চজন্য বুক্‌ছ, গুৱাহাটী।

১৫. *কাৰবি সাহিত্য-প্ৰতিভাৰ চানেকি:* হোমেন বৰগোহাঞি (সংক. আৰু সম্পা.), অসম প্ৰকাশন পৰিষদ, গুৱাহাটী।

১৬. ‘ওপঙা স্বপ্ন’: লিনথৈ চানু, *প্ৰকাশ,* ফেব্ৰুৱাৰী, ২০২২, পৃ. ৭০-৭৩।

১৭. *উত্তৰ-পূব ভাৰতৰ সাহিত্য:* পল্লৱী ডেকা বুজৰবৰুৱা (সম্পা.), বনলতা, ডিব্ৰুগড়।

## SEMESTER-1

## Title of the Course: অসমীয়া ভাষাৰ কৌশল আৰু দক্ষতা বিকাশ

## (Skill and Ability Enhancement in Assamese Language)

## Course Code: AEC1A

## Nature of the Course: Ability Enhancement Course

## Total Credits: 04

## Distribution of Marks: 60 (End Semester) + 40 (In-Semsester)

**প্ৰস্তাৱনা**

যিকোনো ভাষাৰ শুদ্ধ আৰু প্ৰাঞ্জল ব্যৱহাৰ হৈছে ব্যক্তিৰ ব্যক্তিত্ব আৰু বৌদ্ধিক দক্ষতাৰ এক চানেকি। ‘অসমীয়া ভাষাৰ কৌশল আৰু দক্ষতা বিকাশ’ শীৰ্ষক পাঠ্যক্ৰমে শিক্ষাৰ্থীসকলক অসমীয়া ভাষাৰ তাত্ত্বিক ভেটি বিষয়ক জ্ঞান প্ৰদানৰ লগতে ব্যৱহাৰিক জীৱনত ভাষাৰ প্ৰয়োগ আৰু সাহিত্য-বোধগম্যতা পৰ্যন্ত এক সামগ্ৰিক প্ৰশিক্ষণ আগবঢ়াব। ভাষাৰ বিশুদ্ধতা ৰক্ষাৰ লগতে সৃষ্টিশীল প্ৰকাশভংগী গঢ়ি তোলাও এই পাঠ্যক্ৰমৰ অন্যতম এক লক্ষ্য।

**পাঠ্যক্ৰমৰ উদ্দেশ্য**

- অসমীয়া ভাষাৰ বৰ্ণ, বানান, উচ্চাৰণ আৰু যতি চিহ্নৰ শুদ্ধ ব্যৱহাৰ সম্পৰ্কে শিক্ষাৰ্থীসকলক সচেতন কৰা।
- শব্দ গঠন, খণ্ডবাক্য, জতুৱা ঠাঁচ আৰু বাক্য গঠনৰ কলা-কৌশল আয়ত্ত কৰোৱাৰ জৰিয়তে ভাষা বিষয়ক দখল বৃদ্ধি কৰা।
- আনুষ্ঠানিক আৰু অনানুষ্ঠানিক যোগাযোগৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰি পৰিস্থিতি অনুযায়ী ভাষাৰ সঠিক প্ৰয়োগ শিকোৱা।
- আবেদন পত্ৰ, স্মাৰক পত্ৰ, নিমন্ত্ৰণী পত্ৰ আৰু অভিনন্দন পত্ৰ আদি ব্যৱহাৰিক পত্ৰ লেখনত দক্ষ কৰি তোলা।
- লক্ষ্মীনাথ বেজবৰুৱা, সত্যনাথ বৰা, ভূপেন হাজৰিকাৰ দৰে বিশিষ্ট সাহিত্যিকৰ নিৰ্বাচিত পাঠৰ মাজেৰে শিক্ষাৰ্থীৰ ভাষা-সাহিত্য বিষয়ক বোধগম্যতা পৰীক্ষণ আৰু প্ৰসাৰিত কৰা।

**পাঠ্যক্রমৰ শিকন পৰিণতি (Course Outcomes)**

- অসমীয়া ভাষাৰ বৰ্ণ-বানান আৰু যতি চিহ্নসমূহ নিৰ্ভুলভাৱে প্ৰয়োগ কৰিব পাৰিব।
- ভাষাক অধিক ৰুচিকৰ আৰু প্ৰাঞ্জল কৰিবলৈ খণ্ডবাক্য আৰু জতুৱা ঠাঁচৰ সৃজনশীল ব্যৱহাৰ কৰিব পাৰিব।
- বাক্য গঠনৰ কলা-কৌশল আয়ত্ত কৰি যিকোনো ধৰণৰ কথন আৰু লেখন কাৰ্যত সাৰ্থকভাৱে প্ৰয়োগ কৰিবলৈ সক্ষম হ'ব।
- প্ৰাত্যহিক জীৱনৰ বিভিন্ন ব্যৱহাৰিক চাহিদা পূৰণৰ বাবে পত্ৰ লেখন কাৰ্য কৰিব পাৰিব।
- আনুষ্ঠানিক আৰু অনানুষ্ঠানিক উভয় ধৰণৰ যোগাযোগৰ চৰিত্ৰ বুজি উপযুক্ত ভাষাৰীতি প্ৰয়োগ কৰিব পাৰিব।
- নিৰ্বাচিত সাহিত্য পাঠৰ মূলভাব আৰু প্ৰাসংগিকতা বিশ্লেষণ কৰাৰ লগতে ভাষাগত সূক্ষ্মতাসমূহ অনুধাৱন কৰিব পাৰিব।

| গোট | বিষয় | পাঠদান | অনুশিক্ষণ | সৰ্বমুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| ১ | **অসমীয়া ভাষাৰ কথন আৰু লেখন কৌশল**<br>• বৰ্ণ আৰু আখৰ, উচ্চাৰণ, যতিচিহ্ন<br>• শব্দ গঠন, খণ্ডবাক্য আৰু জতুৱা ঠাঁচ<br>• বাক্য গঠনৰ কলা-কৌশল | ১৫ | ৩ | ১৮ | ১৬ |
| ২ | **যোগাযোগৰ কলা-কৌশল**<br>• আনুষ্ঠানিক<br>• অনানুষ্ঠানিক | ১২ | ৩ | ১৫ | ১৬ |
| ৩ | **অসমীয়া ভাষাৰ ব্যৱহাৰিক প্ৰয়োগ**<br>• আবেদন পত্ৰ লেখন<br>• স্মাৰক পত্ৰ লেখন<br>• নিমন্ত্ৰণী পত্ৰ লেখন<br>• সম্বৰ্দ্ধনা পত্ৰ/অভিনন্দন পত্ৰ লেখন | ৪ | ১০ | ১৪ | ১২ |
| ৪ | **নিৰ্বাচিত পাঠৰ আধাৰত ভাষা-সাহিত্য বিষয়ক বোধগম্যতাৰ পৰীক্ষণ**<br>• লক্ষ্মীনাথ বেজবৰুৱাৰ 'নকওঁ'<br>• সত্যনাথ বৰাৰ 'শ্ৰম'<br>• ভূপেন হাজৰিকাৰ 'বিস্তীৰ্ণ পাৰৰে' | ১১ | ২ | ১৩ | ১৬ |
| সৰ্বমুঠ | | ৪২ | ১৮ | ৬০ | ৬০ |

**আভ্যন্তৰীণ মূল্যায়ন পদ্ধতি** **(৪০ নম্বৰ)**

- আভ্যন্তৰীণ পৰীক্ষা (এটা) (২০ নম্বৰ)
- তলৰ যিকোনো দুটা (১০×২= ২০ নম্বৰ)
  - গৃহকৃত কৰ্ম
  - আলোচনা-পত্ৰ প্ৰস্তুত আৰু উপস্থাপন
  - দলীয় আলোচনা
  - দলীয় কুইজ
  - মৌখিক পৰীক্ষা

**৬০ নম্বৰৰ কাকতৰ ক্ষেত্ৰত প্ৰশ্নকাকতৰ আৰ্হি**

| | | |
|---|---|---|
| (ক) অতি চমু উত্তৰৰ প্ৰশ্ন (Objective) | ৪ টা | ১×৪= ৪ নম্বৰ |
| (খ) চমু উত্তৰৰ প্ৰশ্ন বা চমু টোকা | ৪ টা | ২×৪= ৮ নম্বৰ |
| (গ) ৰচনাধৰ্মী প্ৰশ্ন | ৪ টা | ১২×৪= ৪৮ নম্বৰ |
| | মুঠ | = ৬০ নম্বৰ |

**প্ৰসংগ পুথি**


১. *ব্যক্তিত্ব, সুকুমাৰ কৌশল আৰু যোগাযোগঃ* নীৰাজনা মহন্ত বেজবৰা, অসম বুক ট্ৰাষ্ট, গুৱাহাটী।

২. *অসমীয়া ভাষাৰ উচ্চাৰণঃ* গোলোকচন্দ্ৰ গোস্বামী, বীণা লাইব্ৰেৰী, গুৱাহাটী।

৩. *ব্যৱহাৰিক অসমীয়া অভিধানঃ* বসন্ত কুমাৰ গোস্বামী, যোৰহাট।

৪. *নিকা অসমীয়া ভাষাঃ* মহেশ্বৰ নেওগ, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী।

৫. *অসমীয়া ব্যাকৰণ প্ৰৱেশঃ* গোলোকচন্দ্ৰ গোস্বামী, বীণা লাইব্ৰেৰী, গুৱাহাটী।

৬. *অসমীয়া আখৰ জোঁটনিৰ কথাঃ* শিৱনাথ বৰ্মন, বনলতা, গুৱাহাটী।

৭. *বেজবৰুৱা ৰচনাৱলী:* নগেন শইকীয়া (সম্পা.), বনলতা, ডিব্ৰুগড়।

৮. *সাৰথি:* সত্যনাথ বৰা, অসম বুক ট্ৰাষ্ট, গুৱাহাটী।

৯. *ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ:* সূৰ্য্য হাজৰিকা (সম্পা.), এছ. এইছ. শৈক্ষিক ন্যাস, গুৱাহাটী।


## SEMESTER-1

## Title of the Course: ব্যক্তিত্ব বিকাশ আৰু সুকুমাৰ কৌশল

## (Personality Development and Soft Skills)

## Course Code: SEC1 AS1

**Nature of the Course: Skill Enhancement Course**

**Total Credits: 3**

